**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-01-2026
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। বিগত ১১ বছৰত উত্তৰ পূৰ্বাঞ্চলত ৭ হাজাৰ ২০০ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হৈছে বুলি সংসদৰ বাজেট অধিৰেশনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ প্ৰকাশ।

২। ভোটাৰ তালিকাৰ পুনৰীক্ষণ প্ৰক্ৰিয়াত অবৈধ বিদেশী নাগৰিকৰ বিৰুদ্ধে অভিযোগ দিয়াটোক জাতীয় দায়িত্ব হিচাপে গণ্য কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান।

৩। মহাৰাষ্ট্ৰৰ বাৰামতীত সংঘটিত এটা বিমান দুৰ্ঘটনাত ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰসহ পাঁচজন লোকৰ প্ৰাণহানি। কাইলৈ ৰাজ্যিক মৰ্যাদাৰে পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়া।

৪। পথৰুঘাটৰ ৰণৰ ১৪০ গৰাকী ছহিদৰ স্মৃতিত আজি কৃষক ছহিদ দিৱস পালন। *আৰু*

৫। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত ৰাজস্থানৰ বিৰুদ্ধে ৩-০ গ'লত অসমৰ জয়লাভ।

০০০০০

সমগ্ৰ বিশ্বই সিন্দুৰ অভিযানৰ সময়ত প্ৰতিৰক্ষা বাহিনীসমূহৰ সাহস আৰু শক্তি প্ৰত্যক্ষ কৰা বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে মত প্ৰকাশ কৰিছে। বাজেট অধিবেশনৰ আজি প্ৰথম দিনা সংসদৰ উভয় সদনক উদ্দেশি ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে দেশে নিজৰ সম্পদৰাজি ব্যৱহাৰ কৰি সন্ত্ৰাসবাদী ঘাটিসমূহ ধ্বংস কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে ভাৰতৰ ওপৰত হোৱা যিকোনো সন্ত্ৰাসবাদী আক্ৰমণৰ বিৰুদ্ধে দৃঢ় আৰু নিৰ্ণায়ক প্ৰত্যুত্তৰ দিয়া হ'ব বুলি চৰকাৰে শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে। সিন্ধু জল চুক্তি প্ৰত্যাহাৰো ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী যুঁজৰ অংশ বুলি শ্ৰীমতী মুৰ্মুৰে মন্তব্য কৰে।

তেওঁ কয় যে চৰকাৰৰ দৃঢ় নীতি আৰু উদ্যমৰ বাবেই দেশত কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি পাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে চৰকাৰে বৰ্তমান কৃষি খণ্ডত উৎপাদনৰ ক্ষেত্ৰত পিছপৰি থকা শস্যসমূহৰ উৎপাদন বৃদ্ধিৰ বাবে কাম কৰি আছে। শ্ৰীমতী মুৰ্মুৰে কয় যে বিগত ১১ বছৰত উত্তৰ পূৰ্বাঞ্চলত ৭ হাজাৰ ২০০ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হৈছে। ইয়াৰ ফলত দূৰণিবটীয়া দুৰ্গম এলেকা, পাৰ্বত্য এলেকা, জনজাতি বসতিপ্ৰধান অঞ্চল আৰু সীমান্ত এলেকাসমূহৰ সৈতে যোগাযোগ সুচল হৈছে বুলি শ্ৰীমতী মুৰ্মুৰে মন্তব্য কৰে। তেওঁ কয় যে গ্ৰামাঞ্চলৰ উন্নয়ন আৰু কৰ্মসংস্থাপন সৃষ্টিৰ উদ্দেশ্যে বিকশিত ভাৰত জি ৰাম জি নামৰ এখন আইন প্ৰণয়ন কৰা হৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই নতুন আইনৰ জৰিয়তে গাঁওসমূহত ১২৫ দিনৰ কৰ্মসংস্থাপন নিশ্চিত কৰা হৈছে। একে সময়তে আইনখনে দুৰ্নীতি নিয়ন্ত্ৰণ আৰু হৰলুকি ৰোধ কৰাত সহায় কৰিব বুলি শ্ৰীমতী মুৰ্মুৰে প্ৰকাশ কৰে। তেওঁ কয় যে যোৱা ১০-১১ বছৰত প্ৰতিটো খণ্ডত দেশৰ ভেটি সুদৃঢ় হৈছে আৰু ২০২৬ বৰ্ষটো বিকশিত ভাৰত যাত্ৰাৰ গুৰুত্বপূৰ্ণ আধাৰৰূপে পৰিগণিত হ'ব।

০০০০০

ভোটাৰ তালিকাৰ পুনৰীক্ষণ প্ৰক্ৰিয়াত অবৈধ বিদেশী নাগৰিকৰ বিৰুদ্ধে অভিযোগ দিয়াটোক জাতীয় দায়িত্ব হিচাপে গণ্য কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। তেওঁ কয়, যে ৰাজ্যৰ জাতীয় দল-সংগঠনেও নিৰ্বাচন আয়োগত অভিযোগ দাখিল কৰিব লাগে। বিদেশী বুলি সন্দেহ কৰা ৫ লাখতকৈও অধিক লোকৰ বিৰুদ্ধে বিজেপিৰ কৰ্মীসকলে অভিযোগ দাখিল কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়। পৰৱৰ্তী সময়ত নিৰ্বাচন আয়োগে এই অভিযোগ সন্দৰ্ভত বিবেচনা কৰিব বুলি তেওঁ উল্লেখ কৰে। সন্দেহযুক্ত নাগৰিকৰ বিৰুদ্ধে বিজেপিয়ে সদায় কাম কৰি যাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়।

**বাইট (চি এম)**

অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ দিশত অধিক সংবেদনশীল আৰু দায়িত্বশীল হোৱাৰ বাবে আহ্বান জনাই কালি সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ এখন দাবী পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰৰ জৰিয়তে ভোটদাতাৰ তালিকাৰ বিশেষ সংশোধনীৰ পোষকতা কৰি ছাত্ৰ সংগঠনটোৱে কয় যে এই প্ৰক্ৰিয়াৰ ফলত খিলঞ্জীয়া সংখ্যালঘু লোকসকলক সমস্যাৰ সন্মুখীন হোৱা উচিত নহয়। অৱশ্যে অবৈধ নাগৰিকৰ নাম তালিকাৰ পৰা কৰ্তন হ'ব লাগিব বুলি সংগঠনটোৱে দাবী উত্থাপন কৰে। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে এই সন্দৰ্ভত কয় যে ৰাজ্যখন অবৈধ বাংলাদেশীৰ অনুপ্ৰৱেশৰ সমস্যাৰে ভাৰাক্ৰান্ত। অবৈধ নাগৰিকে ৰাজ্যৰ ভোটাৰ তালিকাত নাম সন্নিবিষ্ট কৰা বিষয়টোৰ সন্দৰ্ভত ছাত্ৰ সংগঠনটোৱে পূৰ্বৰে পৰাই দৃষ্টিগোচৰ কৰি আহিছে বুলি তেওঁলোকেৰ উল্লেখ কৰে।

**বাইট (সমীৰণ ফুকন)**

ভোটাৰ তালিকাৰ পুনৰীক্ষণ ব্যৱস্থা সম্পূৰ্ণ বিধিগত, নিৰপেক্ষ আৰু স্বচ্ছতাৰে পৰিচালনা কৰাৰ দাবীৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বজালী জিলা সমিতিয়েও আজি মুখ্য নিৰ্বাচন আয়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে। ভোটাৰ তালিকাৰ পুনৰীক্ষণ প্ৰক্ৰিয়াৰ জৰিয়তে একাংশ খিলঞ্জীয়া লোকক হাৰাশাস্তি কৰা হৈছে বুলি ছাত্ৰ সংগঠনটোৱে এই পত্ৰত উল্লেখ কৰে। ছাত্ৰ সংগঠনটোৱে পত্ৰত ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ প্ৰক্ৰিয়াৰ সমৰ্থন জনাই বৈধ নাগৰিকক হাৰাশাস্তি নকৰিবলৈ আহ্বান জনাইছে। বৈধ নাগৰিকৰ বিৰুদ্ধে ভুৱা অভিযোগ দাখিল কৰা ব্যক্তিৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে স্মাৰক পত্ৰযোগে নিৰ্বাচন আয়ুক্তক ছাত্ৰ সংগঠনটোৱে আহ্বান জনায়।

০০০০০

মহাৰাষ্ট্ৰৰ বাৰামটিত আজি পুৱা সংঘটিত এটা বিমান দুৰ্ঘটনাত ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰসহ পাঁচজন লোকে প্ৰাণ হেৰুৱায়। অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে বিমানখনত উপ-মুখ্যমন্ত্ৰীগৰাকীৰ লগতে দুজন সুৰক্ষা বিষয়া আৰু দুগৰাকী বিমান পৰিচালক আছিল। বিমানখনে বাৰামটি বিমান বন্দৰত অৱতৰণ কৰাৰ সময়তে দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে লগে বিমানখন সম্পূৰ্ণৰূপে ভস্মীভূত হয়। উল্লেখযোগ্য যে পুৱা ৮ বাজি ১০ মিনিটত উপ-মুখ্যমন্ত্ৰীগৰাকী বাৰামটিত এখন জনসভাত অংশগ্ৰহণ কৰাৰ বাবে ৰাওনা হৈছিল। দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা আনকেইগৰাকী উপ-মুখ্যমন্ত্ৰীগৰাকীৰ ব্যক্তিগত সুৰক্ষা বিষয়া বিদিপ যাদৱ, পাইলট কেপ্তেইন সুমিত কাপুৰ, সম্ভৱী পাঠক আৰু ফ্লাইট এটেণ্ডেণ্ট পিংকী মাথি বুলি প্ৰকাশ কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা শোকবাৰ্তাত অজিত পাৱাৰৰ অকাল মৃত্যুক দেশৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰে। তেওঁ কয় যে মহাৰাষ্ট্ৰৰ বিশেষকৈ সমবায় খণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদানৰ বাবে শ্ৰীপাৱাৰক সদায় স্মৰণ কৰা হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ বাৰ্তাত কয় যে জনগণৰ নেতা অজিত পাৱাৰে তৃণমূল পৰ্যায়ৰ পৰা জনসাধাৰণৰ সৈতে যোগাযোগ ৰক্ষা কৰি আহিছিল। কঠোৰ পৰিশ্ৰমী আৰু সেৱাৰ মনোভাৱৰ বাবে তেওঁ সৰ্বজন সমাদৃত আছিল বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে উপ-মুখ্যমন্ত্ৰীগৰাকীৰ পৰিয়ালৰ লগতে দুৰ্ঘটনাত নিহত আটাইকেইগৰাকীৰ ব্যক্তিৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইও এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰে। জনতাৰ সেৱা আৰু কল্যাণৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰা অজিত পাৱাৰৰ মহাৰাষ্ট্ৰৰ উন্নয়ন আৰু শাসন ব্যৱস্থাত অৱদান সদায় স্মৰণীয় হৈ থাকিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

প্ৰয়াত উপ মুখ্যমন্ত্ৰীগৰাকীৰ অন্তেষ্টিক্ৰিয়া কাইলৈ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হ'ব বুলি জানিব পৰা গৈছে।

ooooo

১৮৯৪ চনৰ ২৮ জানুৱাৰীত দৰং জিলাৰ পথৰুঘাটত ব্ৰিটিছৰ বৰ্ধিত খাজনাৰ বিৰুদ্ধে গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰিবলৈ গৈ ছহিদ হোৱা কৃষকসকলৰ স্মৃতিত আজি কৃষক ছহিদ দিৱস পালন কৰা হয়। ১৮৯৪ চনৰ আজিৰ দিনটোতে দৰং জিলাৰ মঙলদৈৰ পৰা প্ৰায় ১৬ কিলোমিটাৰ পশ্চিমে অৱস্থিত পথৰুঘাটত ব্ৰিটিছ আৰক্ষীৰ গুলীত কমেও ১৪০ গৰাকী কৃষক ছহিদ হৈছিল। তদুপৰি প্ৰায় ১৫০ গৰাকী আহত হৈছিল। এই ছহিদসকলৰ স্মৃতিত দৰং জিলাৰ পথৰুঘাটত কালিৰে পৰা দুদিনীয়াকৈ কৃষক ছহিদ দিৱস আৰু ৰাইজমেল অনুষ্ঠিত হয়। আজি ছহিদৰ স্মৃতিসৌধত শ্ৰদ্ধাঞ্জলি তৰ্পণ, গছপুলি ৰোপণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মুকলি সভা আৰু সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচীত কৃষি মন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰি ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই সন্দৰ্ভত দৰঙৰ সংবাদদাতা ময়ূখ গোস্বামীয়ে এইদৰে কয়—

**ভইচকাষ্ট (ময়ূখ গোস্বামী)**

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। শ্ৰীশ্বাহে কাইলৈ নিশাটো ডিব্ৰুগড়ত কটাব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে পৰহিলৈ ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ এখন জনসভাতো ভাষণ দিব। ইয়াৰ পিছত তেওঁ ধেমাজীত মিছিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ইয়াৰ বাবে প্ৰস্তুতি অব্যাহত আছে। এই সন্দৰ্ভত ধেমাজীৰ পৰা এয়া আমাৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মা ঃ

ভইছ কাষ্ট

সন্ধিয়াৰ ভাগলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ লব। অসম ভ্ৰমণ সামৰি শ্ৰীশ্বাহ পশ্চিমবংগলৈ ৰাওনা হ'ব।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰৰ ডিমৌ আৰু ৰঙানদী সমষ্টিত দুখন জনসভাত অংশ লৈ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ প্ৰথম পৰ্যায়ৰ ১০ হাজাৰ টকাৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰে। দুয়োটা সমষ্টিৰ মুঠ ৫৭ হাজাৰ ৪৬ গৰাকী হিতাধিকাৰীক এই চেক বিতৰণ কৰা হয়। এই ধনৰ জৰিয়তে মহিলাসকল স্বাৱলম্বী হব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

বাইট

মুখ্যমন্ত্ৰীয়ে কাইলৈ গোলাঘাট বিধানসভা সমষ্টিত আত্মসহায়ক গোটৰ ৩৬ হাজাৰ ৮৭৩ গৰাকী মহিলাক উদ্যমিতা পুঁজিৰ ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে ৩১৩ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। তেওঁ ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত মুকলি প্ৰেক্ষাগৃহ, ৭ কোটি টকা ব্যয় সাপেক্ষ বালিজান উচ্চতৰ মাধমিক বিদ্যালয়ৰ নতুন ভৱন আৰু ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱনো মুকলি কৰিব। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণতে ১০৪ কোটি টকা ব্যয় সাপেক্ষ গোলাঘাট-মেৰাপানী পথ আৰু ১০৬ কোটি টকা ব্যয় সাপেক্ষ পদুমণি-ৰঙাজান পথো মুকলি কৰিব। তেওঁ সংহত জিলা আয়ুক্তৰ কাৰ্যালয় আৰু চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়ো উদ্বোধন কৰিব।

ooooo

বৰপেটা জিলাৰ দক্ষিণ প্ৰান্তৰ ৰহমপুৰ আৰু বৰহোলা চৰৰ মাজত ব্ৰহ্মপুত্ৰৰ বুকুত কালি সংঘটিত নাও দুৰ্ঘটনাত সন্ধানহীন লোকসকলৰ আজিও কোনো শুংসূত্ৰ লাভ কৰিব পৰা হোৱা নাই। এই লোকসকলক উদ্ধাৰ বাবে আজি পুৱাৰে পৰা পুনৰ অভিযান চলোৱা হয় যদিও এই পৰ্যন্ত কাৰো সন্ধান লাভ কৰিব পৰা হোৱা নাই বুলি আমাৰ সংবাদদাতাই জনাইছে। ব্ৰহ্মপুত্ৰৰ কোবাল সোতৰ বাবে নদীখনৰ বিভিন্ন দিশত ডুবাৰুৰ দলে অভিযান চলায়। তদুপৰি পুৱাৰে পৰা এন ডি আৰ এফ আৰু এচ ডি আৰ এফৰ দলে দুৰ্ঘটনা সংঘটিত হোৱা স্থানক কেন্দ্ৰক কৰি ব্ৰহ্মপুত্ৰৰ বিভিন্ন দিশত উদ্ধাৰ অভিযান চলায়। এই অভিযানত বৰপেটা আৰক্ষীয়েও সহযোগিতা আগবঢ়ায়। উল্লেখযোগ্য যে, কালি এখন টুলুঙা নাৱেৰে শিশুসহ ৩২জন লোকে ৰহমপুৰৰ পৰা বৰহোলালৈ যাত্ৰা কৰিছিল। বৰহোলা চৰ পোৱাৰ আগমুহূৰ্তত ব্ৰহ্মপুত্ৰৰ পকনীয়াত পৰি নাওখন বুৰ যায়। বাকী যাত্ৰীসকলে সাঁতুৰি আৰু আন এখন নাৱৰ নাৱৰীয়াৰ সহযোগত নিজকে ৰক্ষা কৰিবলৈ সমৰ্থ হয় যদিও নাওসহ ৬জন লোক সন্ধানহীন হয়।

ooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি হোজাই জিলাৰ ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ তৃতীয় দীক্ষান্ত সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। বিশ্ববিদ্যালয়খনত কলা, বাণিজ্য আৰু বিজ্ঞান বিভাগত চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ৭১৭ গৰাকী শিক্ষাৰ্থীক সমাৰোহত প্ৰমানপত্ৰ প্ৰদান কৰা হয়। ৩ গৰাকী কৃতি শিক্ষাৰ্থীক ৰাজ্যপালগৰাকীয়ে সোণৰ পদক প্ৰদান কৰে। দীক্ষান্ত সমাৰোহত স্নাতকোত্তৰ শ্ৰেণীৰ ৯০ গৰাকী শিক্ষাৰ্থী আৰু স্নাতক শ্ৰেণীৰ ৬২৯ গৰাকী শিক্ষাৰ্থীক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

00000

চি পি আই দলে আসন্ন বিধানসভা নিৰ্বাচনত ৰাজ্যৰ মুঠ ৭টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। দলৰ নেতৃবৃন্দই আজি ঘোষণা কৰা অনুসৰি দলটোৱে শিৱসাগৰ, নাজিৰা, তিতাবৰ, মৰিগাঁও, ঢকুৱাখনা, গৌৰীপুৰ আৰু ডিমৌ সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। দলটোৱে নাজিৰাত কনক গগৈ, তিতাবৰত বিশ্বজিত শইকীয়া, ঢকুৱাখনাত ধীৰেণ কছাৰীক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। একেদৰে গৌৰীপুৰত শ্বেখ মনছুৰ ৰহমান, মৰিগাঁৱত তপন ডেকা আৰু ডিমৌত কৃষ্ণ গগৈক দলটোৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰা হৈছে। দলটোৱে বাকী ১১৯টা সমষ্টিত বিজেপি বিৰোধী দলৰ প্ৰাৰ্থীসকলক ভোটদান কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছে।

00000

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত অসমে আজি ঢকুৱাখনাত অনুষ্ঠিত মৰণপন যুঁজত ৰাজস্থানক ৩-০ গলত পৰাস্ত কৰে। অসমে আৰম্ভণিৰ পৰা আক্ৰমনাত্মক মনোভাৱেৰে খেলি কেইবাটাও সুযোগ সৃষ্টি কৰে। প্ৰজ্ঞান গগৈয়ে খেলৰ ৩৩ মিনিটত ৰাজস্থানৰ ৰক্ষাক্ৰমৰ খেলুৱৈসকলৰ খেলিমেলিৰ সুযোগ গ্ৰহণ কৰি অসমৰ হৈ প্ৰথমটো গল কৰে। ইয়াৰ পাছতে খেলৰ ৪৩ মিনিটত প্ৰাঞ্জল ভূমিজে কৰা গলেৰে অসমে ২-০ গলৰ অগ্ৰগতি লাভ কৰে। খেলৰ দ্বিতীয়াৰ্ধত আক্ৰাঙে অসমৰ হৈ তৃতীয়টো গল কৰে। এই জয়ৰ সুবাদত অসমে ৪ খন খেলৰ পৰা ৫ পইণ্ট অৰ্জন কৰি গ্ৰুপ- এৰ চতুৰ্থ স্থানত উপনীত হয়। ইপিনে প্ৰতিযোগিতাত আজি ঢকুৱাখনা খেলপথাৰত ৰাতিপুৱা ৯ বজাত হোৱা এখন খেলত উত্তৰাখণ্ডে-নাগালেণ্ডক ২-১ গলৰ ব্যৱধানত পৰাভূত কৰে। উত্তৰাখণ্ডে এই জয়েৰে মুঠ ৪ খন খেলৰ পৰা ৪ পইণ্ট অৰ্জন কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ আশা সজীৱ কৰি তুলিছে। ইপিনে, চিলাপথাৰত হোৱা আজিৰ একমাত্ৰ খেলখনত পশ্চিমবংগই তামিলনাডুৰ বিৰুদ্ধে ১-১ গলত ড্ৰ খেলে। প্ৰতিযোগিতাত কাইলৈ ৩ খন খেল অনুষ্ঠিত হব। ইয়াৰে চিলাৰথাৰত পুৱা ৯ বজাত হ'বলগীয়া প্ৰথমখন খেলত ওড়িশা - নাগালেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হব। একেটা স্থানত দিনৰ ২ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত মেঘালয়- কেৰালাৰ সন্মুখীন হ'ব। ঢকুৱাখনাত দিনৰ ২ বজাত হ'বলগীয়া তৃতীয়খন খেলত চাৰ্ভিছেচ-পাঞ্জাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ০০০০

00000

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি- ২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থনখন খেল কিছুসময় পাছত বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। ভাৰতে খেলখনত টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে। ভাৰতে ইতিমধ্যে প্ৰথম ৩খন খেলত জয়লাভ কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা ৩১ জানুৱাৰীত তিৰুৱনন্তপুৰমৰ গ্ৰীণ ফিল্ড ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

00000

ঃঃ সমাপ্ত ঃঃ